GAS S5 01 (M/P)

Exam Code: ASM5A

অসমীয়া সংস্কৃতি

পঞ্চম ষাণ্মাসিক

অসমীয়া

খণ্ড - ১

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড° শৈলেন ভৰালী, অধ্যাপক (অৱসৰপ্রাপ্ত),গুৱাহাটী বিশ্ববিদ্যালয়

ড° দীপ্তি ফুকন পাটগিৰি, অধ্যাপিকা, গুৱাহাটী বিশ্ববিদ্যালয়

ড° মঞ্জুমালা দাস, সহযোগী অধ্যাপিকা (অৱসৰপ্রাপ্ত), সন্দিকৈ ছোৱালী মহাবিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° মৃণাল জ্যোতি গোস্বামী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*
১, ৫, ৬	ড° মৃণাল জ্যোতি গোস্বামী
২	ড° নিভাৰাণী ফুকন কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
৩	মাধৱ চন্দ্র বৰুৱা শিৱসাগৰ মহাবিদ্যালয়
৪	ড° সুৰভি মাধুৰী গগৈ প্রাগজ্যোতিষ মহাবিদ্যালয়
৭	ড° মিলন নেওগ এ. ডি. পি. মহাবিদ্যালয়

সম্পাদনা ঃ

বিষয়বস্তু আৰু ভাষা সম্পাদনা	ঃ	ড° হৰি প্রসাদ বৰুৱা, এল. অ. কে. ডি. মহাবিদ্যালয় (অধ্যায় ১, ৫, ৬) ড° মৃণাল জ্যোতি গোস্বামী (বাকী কেইটা অধ্যায়)
গাঁথনিক সম্পাদনা	ঃ	ড° মৃণাল জ্যোতি গোস্বামী
আর্হি কাকত	ঃ	ড° জোনমণি গগৈ, গুৱাহাটী

প্রথম প্রকাশ ঃ জুন, ২০১৯ ISBN No. : "978-93-89123-08-1"

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী - ৭৮১ ০১৭

উপ-মুখ্য কার্যালয় ঃ হাউচফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী - ৭৮১ ০০৬; Web : www.kkhsou.in

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা সংস্থা, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ **অসমীয়া জাতি গঠনত প্রজাতীয় উপাদান** ৭-২৯

প্রাগ্‌জ্যোতিষপুৰ, কামৰূপ, অসম নামৰ উৎপত্তি; জাতি — জাতিৰ ধাৰণা, অসমীয়া জাতি; অসমীয়া জাতি গঠনত প্রজাতীয় উপাদান ঃ নৃতাত্ত্বিক দৃষ্টিভংগীৰে অসমত জাতি গঠনৰ স্বৰূপ

অধ্যায় ২ ঃ **সংস্কৃতি — চমু পৰিচয়** ৩০-৪৯

সংস্কৃতি — সাধাৰণ পৰিচয়; সংস্কৃতিৰ সংজ্ঞা; সংস্কৃতিৰ স্বৰূপ; সংস্কৃতিৰ উপাদান; সংস্কৃতিৰ বৈশিষ্ট্য; সংস্কৃতিৰ বিভিন্ন ভাগ ঃ অভিজাত সংস্কৃতি বা মার্গীয় সংস্কৃতি, লোকসংস্কৃতি বা জনকৃষ্টি, জনজাতীয় সংস্কৃতি

অধ্যায় ৩ ঃ **অসমৰ সংস্কৃতি — সমন্বয় আৰু সমাহৰণ** ৫০-৬১

অসমৰ সংস্কৃতি — সমন্বয় আৰু সমাহৰণৰ বিভিন্ন বিষয় ঃ ভাষা, সাহিত্য, ধর্ম, উৎসৱ-অনুষ্ঠান, সামাজিক লোকাচাৰ, নৃত্য-গীত, খাদ্য, সাজ-পাৰ

অধ্যায় ৪ ঃ **সত্রীয়া সংস্কৃতি** ৬২-৭৪

সত্রীয়া সংস্কৃতি ঃ সত্রৰ সংজ্ঞা, উৎপত্তি, সত্রৰ বিভিন্ন বিভাগ আৰু বিস্তৃতি, সত্রৰ বিষয়ৱবীয়া তথা প্রশাসন, সত্রৰ নিত্যকর্ম — সত্রীয়া নাম-প্রসংগ, সত্রৰ নৈমিত্তিক কার্য তথা সত্রৰ উৎসৱ-অনুষ্ঠান, সত্রৰ কেতবোৰ পালনীয় আচাৰ-ৰীতি, সত্রীয়া গীত, নৃত্য, বাদ্য আৰু ভাওনা

অধ্যায় ৫ ঃ **নামঘৰ — জাতীয় নাটশালা** ৭৫-৯১

নামঘৰ ঃ নির্মাণ শৈলী বা গঠন শৈলী, নামঘৰৰ কার্যপ্রণালী আৰু নামঘৰৰ কর্মকতা/বিষয়ৱবীয়া, ধর্মীয়-চর্চা তথা শিল্প-চর্চাৰ কেন্দ্র, নামঘৰৰ সামাজিক কর্তৃত্ব

অধ্যায় ৬ ঃ **সত্রীয়া পৰিৱেশ্য কলা** ৯২-১১৫

সত্রীয়া পৰিৱেশ্য কলা; সত্রীয়া সংগীত ঃ বৰগীত, *কীর্তন, নামঘোষা* আৰু আনুষংগিক ধাৰা; সত্রীয়া নৃত্য আৰু বাদ্য; অংকীয়া নাট আৰু ভাওনা

অধ্যায় ৭ ঃ **অসমীয়া সংস্কৃতিলৈ জনজাতিসকলৰ বৰঙণি** ১১৬ - ১৩১

জনজাতি — সাধাৰণ পৰিচয়; অসমীয়া সংস্কৃতিলৈ জনজাতিসকলৰ অৱদান ঃ ধর্মৰ ক্ষেত্রত, উৎসৱ-পার্বন আৰু লোকসাহিত্যৰ ক্ষেত্রত, খাদ্যাভ্যাসৰ ক্ষেত্রত, সাজপাৰৰ ক্ষেত্রত, মাতৃতন্ত্রমূলীয় সামাজিক পদ্ধতি, অসমীয়া ভাষা-সাহিত্যৰ ক্ষেত্রত

পাঠ্যবিষয়ৰ পৰিচয় ঃ অসমীয়া সংস্কৃতি

এই পাঠ্যবিষয়টি ঐচ্ছিক আৰু প্ৰধান অসমীয়াৰ পঞ্চম ষাণ্মাসিকৰ প্ৰথম পাঠ্যবিষয় হিচাপে প্ৰস্তুত কৰা হৈছে। পাঠ্যবিষয়টিত অসমীয়া সংস্কৃতি সম্পৰ্কে বহলাই আলোচনা কৰা হৈছে। পাঠ্যবিষয়টি অধ্যয়ন কৰি আপুনি অসমীয়া সংস্কৃতিৰ লগত সম্পৰ্কিত বিভিন্ন দিশ সম্পৰ্কে গভীৰ ধাৰণা লাভ কৰিব।

আমি সকলোৱে জানো যে ভাৰতবৰ্ষ এনে এখন দেশ য'ত বিভিন্ন সংস্কৃতিৰ সংমিশ্ৰণ ঘটিছে আৰু অনৈক্যৰ মাজত ঐক্যৰ দোলেৰে বান্ধ খাই সকলো একগোট হৈ আছে। ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চলত অৱস্থিত অসম দেশক এই ক্ষেত্ৰত ভাৰতৰ ক্ষুদ্ৰ সংস্কৰণ বুলিয়েই সকলোৱে অভিহিত কৰে। অসমত বিভিন্ন জাতি-জনগোষ্ঠীয়ে অনৈক্যৰ মাজত একাতাৰে বান্ধ খাই বৃহৎ অসমীয়া জাতিৰ, সংস্কৃতিৰ সৃষ্টি কৰিছে। এই পাঠ্যবিষয়টিত অসম নামৰ উৎপত্তি, নৃতাত্ত্বিক দৃষ্টিভংগীৰে ইয়াৰ জনগাঁথনি আদিৰ পৰা আৰম্ভ কৰি কোনবোৰ বৈশিষ্ট্যৰ বাবে একক আৰু অনন্য ৰূপেৰে অসমীয়া সংস্কৃতিৰ সৃষ্টি হৈছে সেই বিষয়ে বহলাই আলোচনা কৰা হৈছে। প্ৰয়োজন সাপেক্ষে সংস্কৃতি, লোকসংস্কৃতিৰ চমু পৰিচয় দাঙি ধৰি অসমীয়া সংস্কৃতিৰ বিবিধ উপাদানৰ বিষয়ে বিভিন্ন অধ্যায়ত বহলাই আলোচনা কৰা হৈছে। এই পাঠ্যবিষয়টি অধ্যয়ন কৰি আপুনি অসমীয়া সংস্কৃতি সম্পৰ্কে, ইয়াৰ বিবিধ উপকৰণ, মণি-মৰকতৰ বিষয়ে বিস্তৃত ধাৰণা লাভ কৰিবলৈ সক্ষম হ'ব।

এই গোটেইকেইটা বিষয়বস্তু সৰ্বমুঠ পোন্ধৰটা অধ্যায়ত সজোৱা হৈছে। আলোচনাৰ সুবিধাৰ্থে এই পাঠ্যবিষয়ক মুঠ দুটা খণ্ডত ভাগ কৰা হৈছে; প্ৰথম খণ্ডত সাতটা অধ্যায় আৰু দ্বিতীয়টো খণ্ডত আঠটা অধ্যায় থাকিব।

খণ্ড পৰিচয় ঃ খণ্ড - ১

ইতিমধ্যে উল্লেখ কৰি অহা হৈছে যে এই পাঠ্যবিষয়টিক সৰ্বমুঠ দুটা খণ্ডত বিভাজন কৰি লোৱা হৈছে আৰু প্ৰথম খণ্ডটোতো সাতটা অধ্যায় আছে। ইয়াৰে প্ৰথমটো অধ্যায় 'অসমীয়া জাতি গঠনত প্ৰজাতীয় উপাদান'ত প্ৰাগ্‌জ্যোতিষপুৰ, কামৰূপ, অসম নামৰ উৎপত্তি; আধুনিক কালত সৃষ্টি হোৱা জাতিৰ ধাৰণাৰ আধাৰত অসমীয়া জাতি গঠন প্ৰক্ৰিয়া সম্পৰ্কে আলোচনা কৰি নৃতাত্ত্বিক দৃষ্টিভংগীৰে অসমীয়া জাতি গঠনত প্ৰজাতীয় উপাদান সম্পৰ্কে বহলাই আলোচনা কৰা হৈছে। দ্বিতীয়টো অধ্যায়ত সংস্কৃতি মানে কি সেই বিষয়ে আলোচনা কৰি সংস্কৃতিৰ সংজ্ঞা, স্বৰূপ, উপাদান, বৈশিষ্ট্যৰ বিষয়ে বহলাই আলোকপাত কৰি সংস্কৃতিৰ বিভিন্ন ভাগ সম্পৰ্কে অৱলোকন কৰা হৈছে।

নিজস্ব গতিত বৈ থকা নদীসমূহ এসময়ত মহাসাগৰৰ জলৰাশিৰ সৈতে বিলীন হৈ যায়। ঠিক সেইদৰে বিভিন্ন জাতি-জনজাতি-জনগোষ্ঠীয় সংস্কৃতি একগোট হৈ বৃহৎ অসমীয়া জাতি, অসমীয়া সংস্কৃতিৰ সৃষ্টি কৰিছে। অসমীয়া সংস্কৃতিত কেনেদৰে এই সমন্বয় তথা সমাহৰণ প্ৰক্ৰিয়া সাধিত হৈছে সেয়াও এই পাঠ্যবিষয়ৰ তৃতীয় অধ্যায় 'অসমৰ সংস্কৃতি — সমন্বয় আৰু সমাহৰণ'ত আলোচনা কৰা হৈছে। নৱ-বৈষ্ণৱ আন্দোলনৰ ফলস্বৰূপে মহাপুৰুষ শংকৰদেৱে খ্ৰীষ্টীয় পঞ্চদশ শতিকাতে প্ৰতিষ্ঠা কৰা সত্ৰ আৰু নামঘৰে অসমৰ ধৰ্মীয়, সামাজিক, সাংস্কৃতিক আদি আটাইকেইটা দিশতে প্ৰভাৱ বিস্তাৰ কৰি আহিছে। সত্ৰ আৰু নামঘৰসমূহক কেন্দ্ৰ কৰিয়েই সাহিত্য, সংগীত আৰু বিবিধ শিল্প-কলাৰ উদ্ভাৱন ঘটিছে। মানুহক শৰণ-ভজনৰ দ্বাৰা আত্মবিশ্বাস আৰু আত্ম-উপলব্ধিৰ কৰ্ষণৰ বাবে সত্ৰই অৱদান যোগাই আহিছে। অসমীয়া সমাজৰ জাতীয় জীৱনত গভীৰ প্ৰভাৱ পেলোৱা সত্ৰ আৰু নামঘৰৰ বিষয়ে এই পাঠ্যবিষয়ৰ চতুৰ্থ আৰু পঞ্চম অধ্যায়ত বহলাই আলোচনা কৰা হৈছে। সত্ৰক কেন্দ্ৰ হিচাপে লৈ শংকৰদেৱ-মাধৱদেৱৰ সময়ৰে পৰা বিভিন্ন পৰিৱেশ্য কলাৰ সৃষ্টি হৈছিল। সেই বিষয়ে 'সত্ৰীয়া পৰিৱেশ্য কলা' শীৰ্ষক ষষ্ঠ অধ্যায়ত বহলাই আলোচনা কৰা হৈছে।

অসমীয়া সংস্কৃতিৰ গঠন প্ৰক্ৰিয়াত বিভিন্ন জনজাতি, আহোম তথা মুছলমানসকলৰ অৱদান অপৰিসীম। বিশেষভাৱে অসমৰ ভূমিপুত্ৰস্বৰূপ বিভিন্ন জনগোষ্ঠীয়ে বিভিন্ন ধৰণে অতীজৰে পৰা অসমীয়া সংস্কৃতিক সমৃদ্ধ কৰিছে। অসমীয়া সংস্কৃতি সম্পৰ্কে অধ্যয়ন কৰোঁতে এই বিষয়েও পৃথকে-পৃথকে অধ্যয়ন কৰাৰ প্ৰয়োজনীয়তা উপলব্ধ হয়। সেই দিশলৈ লক্ষ্য ৰাখি আমাৰ এইখন পাঠ্যবিষয়ত উপৰ্যুক্ত দিশটোও অন্তৰ্ভুক্ত কৰা হৈছে। এই খণ্ডটোৰ শেষৰটো অধ্যায়ত অসমীয়া সংস্কৃতিলৈ জনজাতিসকলৰ বৰঙণি সম্পৰ্কে আলোকপাত কৰা হৈছে। আহোম আৰু মুছলমানসকলৰ অৱদান সম্পৰ্কে পৰৱৰ্তী খণ্ডটোত দুটা অধ্যায় সন্নিৱিষ্ট কৰা হ'ব।

এই খণ্ডটো অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অর্থ সন্নিৱিষ্ট হৈছে। সেইদৰে — 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। প্ৰতিটো অধ্যায়ত থকা 'চিন্তা-চৰ্চা কৰক'সমূহে অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্ৰগতি নিৰীক্ষণ' যোগে আগ বঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্ৰগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন বিষয়সমূহৰ বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটিমান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। দ্বিতীয় খণ্ডৰ শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্ৰসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই খণ্ডত উল্লেখ থকা অধ্যায়সমূহ প্ৰস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেইকেইখন পুথি অধ্যয়ন কৰিব পাৰিব।